# অসমত শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা

অসমৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ ঐতিহ্য অতি উজ্জ্বল। অতি প্ৰাচীন কালৰে পৰা এই তিনিওটি ধৰ্ম অসমত যুগপৎ চলি আহিছে। এই তিনিটি ধৰ্মৰ প্ৰাচীনত্বৰ প্ৰমাণ শিলালিপি, তামৰ ফলি, প্ৰাচীন স্থাপত্য-ভাস্কৰ্য আৰু বিভিন্ন গ্ৰন্থৰ পৰা পাব পাৰি। নিধনপুৰ তাম্ৰশাসনৰ পৰা জনা যায় যে, সপ্তম শতিকাৰ কামৰূপৰ প্ৰৱল প্ৰতাপী ৰজা ভাস্কৰ বৰ্মা শৈৱ আছিল। সেইদৰে হাইবুংথল লিপি আৰু তেজপুৰ তাম্ৰশাসনে প্ৰমাণ কৰে যে, নৱম শতিকাৰ কামৰূপৰ ৰজা ক্ৰমে হৰ্জৰ বৰ্মা আৰু বনমাল বৰ্মা শিৱভক্ত আছিল। দ্বাদশ শতিকাৰ ৰজা ইন্দ্ৰপালৰ গুৱাহাটী ফলিৰ পৰা জানিব পাৰি যে ৰজাই শিৱ আৰু গিৰিজা দুইকে ভক্তি কৰিছিল। দশম-একাদশ শতিকাত ৰচিত 'কালিকা-পুৰাণ'ৰ (৩৮,৯৬) মতে নৰকাসুৰৰ আগমনলৈকে কামৰূপ ৰাজ্যখন শিৱই নিজৰ কাৰণে গোপনে ৰাখিছিল। ('স চ দেশ স্বৰাজ্যাৰ্থে পূৰ্বং গুপ্তশ্চ শম্ভুনা') নৰকে কামৰূপত দেৱী-পূজাৰ প্ৰৱৰ্তন কৰিলেও শৈৱধৰ্ম গোপনে দেশত থাকি গ'ল ('অন্তৰ্গুপ্তঃ স মে পুৰে')। ইয়াৰ পৰা নৰকৰ আগতো যে অসমত শৈৱধৰ্ম এডনীয়া ভাৱে চলি আছিল, সেইটো অনুমান কৰিব পাৰি। 'কালিকা-পুৰাণ'ত দেৱী-পূজাৰ উপৰি শিৱ-পূজাৰো বিস্তৃত বিৱৰণ পোৱা যায়। পুৰাণখনত শিৱক ম্লেচ্ছসকলেও (অন-আৰ্য) বিবিধ উপচাৰেৰে পূজা কৰাৰ উল্লেখ আছে।

শিৱৰ যেনেকৈ বিভিন্ন নাম আছে, তেনেকৈ তেওঁৰ বিভিন্ন ৰূপৰো কল্পনা কৰা হৈছে। অসমৰ বিভিন্ন স্থানত সিঁচৰতি হৈ থকা শিৱৰ মূৰ্তি আৰু লিংগবোৰেও ('কোটি লিংগ সমাকীৰ্ণ'-যোগিনী-তন্ত্ৰ।) অসমত শৈৱধৰ্মৰ প্ৰাচীনত্ব আৰু জনপ্ৰিয়তাৰ ইঙ্গিত দিয়ে। মূৰ্ত্তিবোৰৰ ভিতৰত দহ পৰ্বতীয়াৰ লকুলীশ শিৱ, গুৱাহাটীৰ মহেশ-শিৱ, কামাখ্যাৰ ভৈৰৱ-শিৱ, বামুণী পাহাৰৰ নটৰাজ-শিৱ, নীলাচলৰ আম্ৰটকেশ্বৰ-মন্দিৰৰ বেৰত থকা অৰ্ধনাৰীশ্বৰ শিৱই শিৱ-মূৰ্ত্তিৰ বৈচিত্ৰ্যৰেই ইঙ্গিত দিয়ে। পুৰণি কালত শৈৱধৰ্মই এনেকৈ বিস্তাৰ লাভ কৰিছিল যে, শঙ্কৰদেৱৰ সময়ত আৰু তেওঁৰ পৰবৰ্তী কালতো শৈৱধৰ্ম তথা দেৱতা শিৱৰ প্ৰতি মানুহৰ অকণো শ্ৰদ্ধা কমা নাছিল। কেইবাখনো 'চৰিত পুথি'ৰ পৰা জানিব পাৰি যে কুসুমবৰ ভূঞাই দেৱতা শঙ্কৰক পূজিহে পুত্ৰ শঙ্কৰক লাভ কৰিব পাৰিছিল। ৰামানন্দ দ্বিজৰ 'শ্ৰীগুৰু চৰিত'ত (পদ ২৮) পোৱা যায় যে শঙ্কৰদেৱে বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰাৰ আগতে কামৰূপৰ লোকে হৰিক পূজা নকৰি কাছ আৰু ছাগলীৰে ভৈৰৱৰূপী শিৱক পূজা কৰিছিল। সূৰ্যখৰি দৈৱজ্ঞৰ 'দৰং ৰাজবংশাৱলী'ত কোচবিহাৰ-কামৰূপৰ কোচ-ৰাজবংশক শিৱবংশী ৰূপে দেখুৱাই কোচৰজাসকলে কেনেকৈ হিন্দুমতে আৰু জনজাতীয়মতে শিৱক পূজা কৰিছিল তাৰ উল্লেখ আছে। জনজাতীয় মতে শিৱ-পূজাত মাদল বজাই দেওধাই নৃত্যৰ আয়োজন কৰি পূজাৰ সম্ভাৰ হিচাপে হাঁহ, পাৰ, মদ-ভাত, মহিষ, শূকৰ, কুকুৰা, ছাগলী আদি আগ কৰা হৈছিল। বড়ো সমাজতো "শিৱক বাথো, বাথৌ, বাথৌ-ব্ৰাই বা বাথৌ-শিৱ-ৰাই মানি পূজা কৰা হৈ আহিছে।" (পূঃ অ. স. স, পৃ.১০)। এইটো মন কৰিব লগীয়া যে,